# জাননী

তাৰিখ ঃ ১২-০২-২০২৬

ইয়াৰ দ্বাৰাই মহাবিদ্যালয়ৰ সমূহ বিভাগীয় মুৰব্বী অধ্যাপক-অধ্যাপিকাসকলক জনোৱা যায় যে, আজি ইংৰাজী ১২-০২-২০২৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বৃহত্তৰ শৈক্ষিক স্বাৰ্থত তলত দিয়া নিময়সমূহ মানি চলিবলৈ জনোৱা হ'ল।

**নিয়মসমূহ ঃ**

১। আজিৰ পৰা প্ৰত্যেকটো শ্ৰেণীকক্ষত অধ্যাপক-অধ্যাপিকাসকলে শ্ৰেণী গ্ৰহণৰ সময়ত Attendance লোৱাটো বাধ্যতামূলক।

২। অধ্যাপক-অধ্যাপকসকলে স্নাতক চতুৰ্থ আৰু ষষ্ঠ যাণ্মাসিকৰ প্ৰত্যেকটো Core ৰ নিয়মীয়া শ্ৰেণীকক্ষত Attendance বহীত প্ৰত্যেকখন কাকতৰ বাবে বেলেগকৈ Attendance ল'ব লাগিব। Attendance ৰ অন্তত Attendance লোৱা অধ্যাপক-অধ্যাপিকাগৰাকীয়ে স্বাক্ষৰ প্ৰদান কৰিব লাগিব। Attendance বহীসমূহ প্ৰত্যেক সপ্তাহৰ অন্তত নিৰীক্ষণ কৰা হ'ব। উল্লেখ যে উক্ত নিয়ম কেৱল স্নাতক চতুৰ্থ আৰু ষষ্ঠ যাণ্মাসিকৰ Core ৰ বাবেহে প্ৰযোজ্য হ'ব। স্নাতক চতুৰ্থ আৰু ষষ্ঠ যাণ্মাসিকৰ Minor আৰু দ্বিতীয় যাণ্মাসিকৰ Core, Minor, GEC, AEC, SEC, VAC ৰ Attendance বহীত শ্ৰেণী গ্ৰহণ কৰা অধ্যাপক-অধ্যাপিকাগৰাকীয়ে Attendance লৈ স্বাক্ষৰ প্ৰদান কৰিলেই হ'ব।

৩। ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিৰ হাৰ গড় হিচাপে ৭০ শতাংশ নহ'লে IA marks ৰ পৰা ৫ নম্বৰ কৰ্তন কৰিব লাগিব। কোনো কাৰণত যদি তেনে ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ নম্বৰ পাবলৈ সক্ষম হয়, তেন্তে মুৰব্বী অধ্যাপক-অধ্যাপিকাগৰাকীয়ে উক্ত বিষয়ৰ ওপৰত স্পষ্টীকৰণ দিব লাগিব।

৪। সম্পূৰ্ণ খতিয়ানযুক্ত Logbook ত বিভাগীয় মুৰব্বী অধ্যাপক-অধ্যাপিকাসকলে স্বাক্ষৰ প্ৰদান কৰিব লাগিব। Logbook সমূহ প্ৰত্যেক দিনা বিয়লি ৩ বজাত নিৰীক্ষণৰ বাবে সংগ্ৰহ কৰা হ'ব।

অধ্যক্ষ
এল.টি.কে. মহাবিদ্যালয়, আজাদ
উত্তৰ লক্ষীমপুৰ

Principal
LTK College, Azad
North Lakhimpur

**Departments :**